## প্ৰথম অধ্যায়

# সংস্কৃতিৰ স্বৰূপ

[এক. ক]

অসমীয়া তথা ভাৰতৰ বিভিন্ন প্ৰাদেশিক ভাষাত ইংৰাজী 'কালচাৰ' অৰ্থাৎ culture পদৰ সমাৰ্থক ৰূপে সংস্কৃতি পদটো ব্যৱহাৰ কৰা দেখা যায়। 'সংস্কৃতি' পদটো সংস্কাৰৰ লগতে বিশেষভাৱে জড়িত। যাৰ সংস্কাৰ হৈছে সিয়ে সংস্কৃতি। কোনো কোনোৱে সেয়েহে ইংৰাজী culture পদৰ পৰিভাষা ৰূপে 'কৃষ্টি' পদটোহে প্ৰয়োগ কৰে। কৰ্ষণৰ লগত কৃষ্টিৰ সম্পৰ্ক ওতপ্ৰোত আৰু কৃষ্টিক সংস্কাৰ কৰি ল'লেই সংস্কৃতিৰ জন্ম হয়। এক্টো ক্ৰিয়াৰ বাৰম্বাৰ আচৰণ বা আবৃত্তিক কৰ্ষণ বা কৃষ্টি আখ্যা দিব পাৰি; আৰু এই কৃষ্টিক সংস্কাৰ কৰি লোৱাটোৰ নামেই সংস্কৃতি। কৃষিৰ বাবে পথাৰত হাল বোৱা বা কোৰ মৰা ক্ৰিয়াৰ নামেই কৃষ্টি আৰু তাৰ ফলস্বৰূপে পথাৰত শস্য উৎপন্ন হোৱাৰ বাবে উপযোগী যি সংস্কাৰ, ক্ষমতা বা যোগ্যতা সেয়ে সংস্কৃতি।[১]

খ্ৰীঃ ১৮৬৫ চনত এডৱাৰ্ড টাইলাৰে সৰ্ব প্ৰথমে ব্যৱহাৰ কৰা culture পদটোৰ মূল হ'ল লেটিন ভাষাৰ 'কোল' ধাতুজাত colere বা cultūra অৰ্থাৎ কুলতুৰা। colore বা cultūre শব্দৰ অৰ্থ কৰ্ষণ কৰা অথবা খেতি কৰা। গতিকে সংস্কৃত কৃষ্টি আৰু লেটিন cultūra-ৰ মাজত যে, অৰ্থৰ ফালৰপৰা মিল আছে তাত সন্দেহ নাই। কালচাৰৰ (Culture) প্ৰতিশব্দ ৰূপে বংগীয় পণ্ডিত যোগেন্দ্ৰ চন্দ্ৰ ৰায় বিদ্যানিধিয়ে 'কৃষ্টি' শব্দটো প্ৰয়োগ কৰিছিল। সুনীতি কুমাৰ চট্টোপাধ্যায় জনৈক মহাৰাষ্ট্ৰীয় বন্ধুৰদ্বাৰা অনুপ্ৰাণিত হৈ 'সংস্কৃতি' শব্দটোৰ প্ৰতি বিশ্বকবি ৰবীন্দ্ৰনাথৰ দৃষ্টি আকৰ্ষণ কৰে। ৰবীন্দ্ৰনাথৰ প্ৰচেষ্টাৰ জৰিয়তে 'সংস্কৃতি' শব্দটি বঙলা ভাষাত গৃহীত হয়।[২] 'আত্মসংস্কৃতিৰ্বাব শিল্পনি' (অৰ্থাৎ শিল্পসমূহ আত্মাৰ সংস্কৃতি) কথাষাৰ পোৱা যায় 'ঐতৰেয় ব্ৰাহ্মণ'ত। প্ৰকাৰ্যৰ ফালৰপৰা লেটিনৰ 'কোল' ধাতুজাত 'কুলতুৰা' আৰু ইন্দো-এৰিয়ান গোষ্ঠীৰ কৃষ্টি-সংস্কৃতিৰ সাদৃশ্য পৰিলক্ষণীয়। কৃষ বা কৰ্ষণত মাৰ্জিত বা ৰুচিবান হোৱাৰ প্ৰৱণতাও বৰ্তমান থাকে। সংস্কৃতি শব্দটিৰ প্ৰয়োগ বিভিন্ন সন্দৰ্ভত বিভিন্ন প্ৰকাৰে হ'ব পাৰে। নৃত্য-গীত-শিল্পকলা আদিকো সংস্কৃতি আখ্যা দিব পাৰি। অৱশ্যে এই প্ৰসংগত সংস্কৃতি শব্দটো শিথিলভাৱেহে প্ৰয়োগ কৰা হয়। আত্ম সংস্কৃতি বা চিত্তৰ পূৰ্ণ বিকাশ সংস্কৃতিৰ অন্যতম লক্ষ্য হ'লেও সংস্কৃতিৰ পৰিসৰ ইয়াতকৈও ব্যাপক আৰু বিস্তৃত। স্বৰূপাৰ্থত সমগ্ৰ জীৱনচৰ্যাৰ মাধ্যমেৰে সংস্কৃতিৰ পূৰ্ণ বিকাশ ঘটে। জীৱনৰ বিভিন্ন স্তৃতিয়েই সংস্কৃতি (সম্-কৃ+ক্তি)।

১. আচাৰ্য মনোৰঞ্জন শাস্ত্ৰী : 'দৰঙ্গীয়া লোকসংগীতত ঢেপা ঢুলীয়া', স্মৃতিগ্ৰন্থ, কপালী জয়ন্তী মঙ্গলদৈ মহাবিদ্যালয়, জীৱন চন্দ্ৰ শৰ্মা সম্পা. মঙ্গলদৈ, ১৯৭৬, পৃ. ৩

২. ৰবীন্দ্ৰনাথ ঠাকুৰ : পৰিচয়, মাঘ, ১৩৩৯; প্ৰবাসী, ভাদ্ৰ, ১৩৪২

[খ]

সংস্কৃতি শব্দৰ দোঁতনা অতিকৈ ব্যাপক। সমাজবিজ্ঞানী আৰু নৃতত্ত্ববিদসকলে সময়ে সময়ে সংস্কৃতি বা কালচাৰ (culture) শব্দটোৰ বহল ব্যাখ্যা দিয়া দেখা যায়। কোনো কোনো পণ্ডিতৰ মতে সংস্কৃতি সামাজিক সৌন্দৰ্য্য আৰু বৌদ্ধিক পৰমোৎকৰ্ষ (intellectual excellence)। মেথিউ আৰনল্ডৰ মতে মাধুৰ্য্য আৰু আলোকেই সংস্কৃতি। দাৰ্শনিক কাছিৰাৰ (Cassirer), আৰু সমাজ বিজ্ঞানী চৰকিন (Sorokin) আৰু মেকাইভাৰৰ (MacIver) মতে মানৱৰ নৈতিক, আধ্যাত্মিক আৰু বৌদ্ধিক বিকাশেই সংস্কৃতি। দাৰ্শনিক আৰু নৃতত্ত্ববিদ্ ডেবিড বিন্দি-এ (David Bindey) কয় যে, কোনো এক ভৌগোলিক পৰিবেশৰ মাজত মানৱ-প্ৰকৃতিৰ উৎকৰ্ষ সাধনেই সংস্কৃতি। ইংৰাজী কালচাৰৰ সংস্কৃত প্ৰতি শব্দ সংস্কৃতি। সংস্কৃত আৰু সংস্কৃতি উভয় শব্দেই সংস্কৃত শব্দ সংস্কাৰৰপৰা আহিছে। বিভিন্ন সংস্কাৰৰ মাধ্যমত সামূহিক জীৱনত লাভ কৰা অৱস্থাৰ আন নাম সংস্কৃতি। সেই কাৰণে ইয়াক সংস্কৃতিক শোধন-প্ৰক্ৰিয়া বুলিব পাৰি। মুঠতে প্ৰকৃতিৰ ঊৰ্দ্ধক্ৰম প্ৰক্ৰিয়াই সংস্কৃতি। মানুহে জন্ম লাভ কৰে অসামাজিক (asocial) ৰূপে আৰু সংস্কাৰৰ মাধ্যমত লাভ কৰে সামাজিকতা।[৩]

নৃতত্ত্ববিদসকলে সংস্কৃতি বা কালচাৰ শব্দটোৰ ব্যাখ্যা বিভিন্নভাৱে দিয়ে। বৃটিছ নৃতত্ত্ববিদ্ এডৱাৰ্ড বাৰ্ণেট টাইলাৰ-এ প্ৰথমতে কালচাৰ শব্দটোৰ অৰ্থ ব্যাখ্যা কৰে আৰু ইয়াৰ প্ৰয়োগৰ পৰিধি বিস্তৃত কৰে। টাইলাৰে খৃঃ ১৮৭১ চনত 'কালচাৰ'ৰ ব্যাখ্যা এনেদৰে দিছিল: সমাজৰ অংগীভূত সদস্যৰূপে মানৱে আহৰণ কৰা জ্ঞান, বিশ্বাস, কলা, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, উৎসৱ-অনুষ্ঠান, আইন-কানুন, নৈতিকতা, অভ্যাস আৰু অন্যান্য সামাজিক সামৰ্থ্যৰ সামগ্ৰিক যৌগিক ৰূপেই সংস্কৃতি।[৪] টাইলাৰৰ মতে সংস্কৃতি সামাজিক উত্তৰাধিকাৰ বা ঐতিহ্য (Social heritage)। সংস্কৃতি ব্যক্তিৰ প্ৰতি সমাজৰ দান।

মানুহে বংশ পৰম্পৰা সমাজপাতি বাস কৰিবলৈ লোৱাৰ ফল স্বৰূপে সামাজিক প্ৰাণী হিচাবে মানুহে বিভিন্ন পৰিস্থিতিত সেই সমাজৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ,

---

৩. "Man is born an asocial being; he attains sociality by going through the *Sanskars*".
D.N. Majumdar & T.N. Madan: *An Introduction to Social Anthropology*, New Delhi; 1986, p.14

৪. ".....that complex whole which includes knowledge, belief, art, morals, law, custom, and any other capabilities and habits acquired by man as a member of society."
E.B. Tylor: *Primitive Culture*, Vol.I, New York, 1874, p.1

প্ৰসংগত তেওঁলোক ঐকামতত উপনীত হ'ব পৰা নাই। সাংস্কৃতিক নৃতত্ত্ববিদ্‌সকলৰ ভৱিষ্যত গবেষণাই সংস্কৃতিৰ স্বৰূপ উপলব্ধিত পৰ্য্যাপ্তভাবে সমল যোগান পাৰিব বুলি আশা কৰা হৈছে।

[গ]

## ধৰ্ম আৰু সংস্কৃতি

সংস্কৃতিৰ নিচিনাকৈ ধৰ্মযো বিশ্বাস, মূল্যবোধ, আচৰণ আদিৰ সমষ্টি। সমাজৰ অংগীভূত সদস্য হিচাবে মানুহে ধৰ্মৰ সমল (traits) বিশ্বাস, মূল্যবোধ, আচৰণ আদি সমাজৰ পৰাই শিকে। বিশ্বাস, মূল্যবোধ, আচৰণ আদি সুসংবদ্ধ প্ৰতিদৰ্শ, কাৰণ এইবোৰৰ অভিব্যক্তি প্ৰকাশ আৰু সংঘটন নিয়মিত আৰু দল বা গোষ্ঠীৰ সমুদায় ব্যক্তি ইয়াৰ অংশীদাৰ। এই প্ৰসংগত নিয়মিত পদটোৰ অৰ্থৰ লগত সমধৰ্মিতা পদৰ অৰ্থই যাতে খেলি-মেলি লগাব নোৱাৰে— তালৈ লক্ষ্য কৰা উচিত। পৃথিবীৰ সকলো ধৰ্মতে ধৰ্মীয় সিদ্ধান্তৰ বিভিন্ন ব্যাখ্যা আৰু অৰ্থ দেখা যায়। সৰ্ব ধৰ্মৰ ক্ষেত্ৰতে ধৰ্মীয় মত বিশ্বাসী আৰু মত বিৰোধী, নব্যবাদী আৰু পৰম্পৰাবাদীৰ অভাব নাই। মত বিৰোধী আৰু নব্যবাদী উভয়ে ধৰ্মীয় নিয়মানুগতাক অস্বীকাৰ নকৰে, তেওঁলোকে কেৱল ইয়াৰ বিৰুদ্ধে মাতহে মাতে। এইক্ষেত্ৰত মতবিৰোধী আৰু নব্যবাদী উভয়ে সাফল্য লাভ কৰিলে ধৰ্মীয়মতত নতুন নিয়মানুগতা প্ৰতিষ্ঠিত হয়, অন্যহাতে এই নতুন নিয়মানুগতাৰ বিৰুদ্ধে অন্যবিলাকে প্ৰত্যাহ্বান জনাব পাৰে। তুলনামূলকভাবে ক্ষুদ্ৰ ক্ষুদ্ৰ সমাজত সেই সমাজৰ অংগীভূত সদস্যসকলে একে সাংস্কৃতিক আৰু ধৰ্মীয় পৰম্পৰাৰ অংশীদাৰ হোৱা দেখা যায়। ইয়াৰ বিপৰীতে বিভিন্ন উপাদানেৰে গঠিত সমাজত সামাজিক প্ৰতিষ্ঠা, প্ৰজাতীয় পটভূমি আদিৰ আধাৰত বিভিন্ন ধৰ্মীয় পৰম্পৰা সমান্তৰালভাবে প্ৰচলিত হৈ থাকিব পাৰে।

ব্যক্তিয়ে সমাজৰ সদস্য ৰূপে, সচেতন- আদেশ নিৰ্দেশৰ জৰিয়তে আৰু অনুকৰণ-প্ৰক্ৰিয়াৰ সংযোগত ধৰ্ম আহৰণ কৰে। শৈশব কালতেই ব্যক্তিয়ে ধৰ্ম সম্পৰ্কীয় শিক্ষাৰ শতকৰা ৫০ ভাগ লাভ কৰে। শিশুসকলে নিৰ্দিষ্ট সংস্কৃতিৰ মাধ্যমতহে পৰিদৃশ্যমান জগতখনক চাবলৈ শিকে। পৰৱৰ্তী জীৱনত শিশুসকল যদি পৰস্পৰ বিৰোধীমতৰ সন্মুখীন হ'বলগীয়া নহয় তেনেহ'লে তেওঁলোকে কেতিয়াও তেওঁলোকৰ সংস্কৃতি আৰু ধৰ্মীয় সিদ্ধান্তৰ বিপৰীতে সন্দেহৰ ভাৱ পোষণ নকৰে আৰু আত্ম উপলব্ধিৰ নিচিনাকৈ নিজৰ নিজৰ সংস্কৃতি আৰু ধৰ্ম গ্ৰহণ কৰে।

নৃতত্ত্ববিদসকলে কোনো এক সংস্কৃতিত ধৰ্মক সাংস্কৃতিক অনুষ্ঠান ৰূপেহে লক্ষ্য কৰে। সংস্কৃতি পৰিবৰ্তিত হোৱাৰ নিচিনাকৈ সামাজিক ব্যাপাৰ ধৰ্মৰো পৰিবৰ্তন ঘটে নানা কাৰণবশতঃ। সেই কাৰণবোৰৰ ভিতৰত জনসংখ্যা বৃদ্ধি, কাৰিকৰীৰ দিশত নৱ উদ্ভাৱন, অৰ্থনৈতিক উন্নতি, ধৰ্মগুৰুৰ অভিনৱ সিদ্ধান্ত, বিজেতাৰ ধৰ্মীয় প্ৰভাৱ আদিয়েই উল্লেখযোগ্য। সংস্কৃতিৰ ব্যাপক পৰিসৰে ধৰ্মকো সামৰে। সামগ্ৰিক যৌগিক সংস্কৃতিৰ

কোনো কোনো নৃতত্ত্ববিদে সংস্কৃতিৰ ব্যাখ্যা মানবৰ ব্যক্তিনিষ্ঠ উপলব্ধিৰ ফালৰপৰা দিবলৈ চেষ্টা কৰিছে। লিনটন-ৰ (Linton) মতে মানবৰ জীৱন-পদ্ধতি আৰু ইয়াৰ বিষয়ে কৰা চিন্তা-চৰ্চা দুয়োটাই একে নহয়। মানবৰ সামগ্রিক জীৱন-পদ্ধতিক বাস্তৱ সত্তা বুলিব লাগিব আৰু ইয়াৰ চিন্তা-চৰ্চাক বুলিব লাগিব বাস্তৱ সত্তাৰ উপলব্ধি। এই বাস্তৱ সত্তাই হ'ল সংস্কৃতি আৰু ইয়াৰ চিন্তা-চৰ্চা- অধ্যয়নক 'সংস্কৃতি-নিৰ্মাণ' (Culture-construct) ৰূপে আখ্যা দিব পাৰি। বাস্তৱ সত্তা অৰ্থাৎ মানবৰ প্ৰকৃত আচৰণৰপৰা 'সংস্কৃতি-নিৰ্মাণ' প্ৰক্ৰিয়া নিষ্কষিত হয়। ক্লুকখহনৰ (Kluckhohn) মতে সংস্কৃতি ভাব-অনুভৱ আৰু কাৰ্য্যৰ ক্ৰম মাথোন। গিলিন-এ (Gillin) সংস্কৃতিৰ ব্যাখ্যা দিবলৈ গৈ কয় যে, সংস্কৃতি ক্ৰিয়া বা কাৰ্য-কলাপ বিশেষ নহয়, কাৰ্য-কলাপৰ প্ৰতিদৰ্শ মাথোন আৰু প্ৰতিদৰ্শ মানুহে নিজে সৃষ্টি নকৰে, নৃতত্ত্ববিদেহে সৃষ্টি কৰে। গতিকে জীৱনৰ প্ৰকৃত আচৰণ আৰু সংস্কৃতিক একে বুলিব নোৱাৰি।

মাৰ্ক্সীয় সংস্কৃতিৰ ব্যাখ্যাৰ অন্তৰালত বৰ্তমান আছে জাৰ্মান দাৰ্শনিক পণ্ডিত হেগেল-ৰ (Hegel) দ্বন্দ্বাত্মক পদ্ধতি (Dialectial Method)। মাৰ্ক্সৰ মতে দ্বন্দ্বাত্মক দৰ্শনৰ স্বৰূপ এনেদৰে উল্লেখ কৰিব পাৰি: "বহিৰ্জগত আৰু মানৱ-চিন্তা উভয়ৰে গতিৰ সাধাৰণ নিয়মৰ (laws of motion) বিজ্ঞান।"[১১] হেগেলৰ এই দাৰ্শনিক সিদ্ধান্ত কাৰ্লমাৰ্ক্সৰদ্বাৰা অৱলম্বিত আৰু সম্প্ৰসাৰিত হৈ দ্বন্দ্বাত্মক জড়বাদত (Dialectical materialism) পৰিণতি লাভ কৰিছে। মাৰ্ক্সৰ দৰ্শনৰ মতে মানৱ জীৱন মূলতঃ এক বিৱৰ্তন মাথোন। মানৱ ইতিহাসত সৰ্ব প্ৰকাৰ বিকাশ আৰু গতি-প্ৰগতি সংঘটিত হয়— অৰ্থনৈতিক বিৱৰ্তনৰ প্ৰতিক্ৰিয়াত। মানৱ-সমাজ এক শ্ৰেণী বিহীন সমতাবাদী (egalitarian) ৰাজ্য বা চৰকাৰ বিহীন আৰু অভাৱ-অনাটন মুক্ত সমাজ অভিমুখে অগ্ৰসৰ হৈ আছে। তেনে এখন শ্ৰেণী বিহীন সমতাবাদী সমাজ স্থাপনৰ বাবে প্ৰয়োজন সংঘৰ্ষৰ। কাৰ্লমাৰ্ক্সৰ এই দৰ্শনৰ পটভূমিত গঢ়ি উঠা সংস্কৃতিৰ ধাৰণাত দ্বন্দ্বাত্মক সিদ্ধান্তবাদৰ (conflict ideologies) প্ৰাধান্য সুস্পষ্ট। শ্ৰেণী সংগ্ৰাম আৰু স্থিতিশীল সংস্কৃতিক অপসাৰণ কৰিহে অভিপ্ৰেত সাংস্কৃতিক চেতনাৰ বিকাশ সাধন কৰা সম্ভৱ হ'ব। মাৰ্ক্সৰদ্বাৰা প্ৰৱৰ্তিত সাংস্কৃতিক সিদ্ধান্তক এক প্ৰকাৰে সমাজ বিদ্যাগত সংস্কৃতি (Sociology of culture) বুলিব পাৰি।[১২]

সাংস্কৃতিক নৃতত্ত্ববিদ্‌সকলে (cultural anthropolists) প্ৰৱৰ্তন কৰা সংপ্ৰত্যয়বোৰৰ ভিতৰত সংস্কৃতি সংপ্ৰত্যয় নিশ্চিতভাৱে অন্যতম হ'লেও সংস্কৃতিৰ সূত্ৰ বা ব্যাখ্যা দিয়াৰ

---

১১. 'Dialectics is the science of the general laws of motion, both of the external world and human thought.'
Don Martindale : *Nature and Types of Sociological Theories*, Routledge & Kegan Paul, London, p. 150-61

১২. T.K.N. Unnithan et-al (ed): *Towards a Sociology of Culture in India*, New Delhi: 1965, p.4

গ্ৰহণ কৰিছে। মালিনৱস্কিৰ মতে সামগ্ৰিক জীৱন পদ্ধতিয়েই সংস্কৃতি। প্ৰকৃত সংস্কৃতিয়ে ব্যক্তিৰ জৈৱ-মানসিক সকাৰণ, অভাৱ-অনাটন আৰু কামনা-বাসনাৰ পৰিপূৰ্ণতা আৰু স্বাধীনতা সুনিশ্চিত কৰে। ৰেডক্লিফ-ব্ৰাউন-এ সংস্কৃতিক সামাজিক কৰ্মৰ ৰূপেহে গণ্য কৰে। এই কৰ্মৰ ফলত ব্যক্তিয়ে পুৰুষানুক্ৰমে, চলি অহা পৰম্পৰা আয়ত্ত কৰি সমাজক প্ৰধান কৰে স্থায়িত্ব। প্ৰকাৰ্যবাদী বা ক্ৰিয়াবাদী সকলে (functionalists) সংস্কৃতিৰ ব্যাখ্যা প্ৰদানৰ প্ৰসংগত সমগ্ৰতাবাদী (holistic view) দৃষ্টিভংগী গ্ৰহণ কৰা দেখা যায়। তেওঁলোকে সংস্কৃতি-সমলবোৰ (culture-traits) বিশ্লেষণ কৰি সংস্কৃতিৰ অধ্যয়নত ব্ৰতী নহয়, সামগ্ৰিক ৰূপতহে সংস্কৃতিৰ চিন্তা-চৰ্চাত ব্ৰতী হয়।

অতি সংক্ষেপে সংস্কৃতিৰ সূত্ৰ এনেদৰে দিব পাৰি: মানৱৰদ্বাৰা সৃষ্ট পাৰিপাৰ্শ্বিক অংশবোৰেই সংস্কৃতি।[৮] প্ৰকৃতাৰ্থত মানৱ সৃষ্ট সামাজিক আচৰণেই সংস্কৃতি। মানুহে স্বভাৱিকভাৱে সামাজিক পাৰিপাৰ্শ্বিকতাত বাস কৰে। দ্বিতীয়তে, সংস্কৃতিৰ পৰিসৰ জৈৱিক ব্যাপাৰতে পৰিসীমিত নহয়। মানুহে নিজৰ দল বা গোষ্ঠীৰ (group) পৰা সাংস্কৃতিকসমল আহৰণ কৰে সজাগ শিক্ষণদ্বাৰা। প্ৰাকৃতিক জগতে দিয়া বিভিন্ন উপাদক মানুহে নিজৰ প্ৰয়োজন অনুসৰি ৰূপ দিয়ে আৰু জন্মগত প্ৰলক্ষণবোৰক অন্তৰ্নিহিত গুণৰদ্বাৰা এনেদৰে গঢ় দিয়া হয় যাতে সেইবোৰৰদ্বাৰা মানৱ-আচৰণ ব্যঞ্জিত হয়। এই আচৰণৰেই অন্য নাম সংস্কৃতি। মানৱৰদ্বাৰা সৃষ্ট আচৰণ বা কৃতিয়েই সংস্কৃতি (সম্+কৃতি)।

সংস্কৃতিৰ সৰ্বজন গ্ৰাহ্য আধুনিক সূত্ৰ এগৰাকী নৃতত্ত্ববিদে এনেদৰে দিছে: "Culture is a set of rules or standards which, when acted upon by the members of a society, produce behaviour that falls within a range of variance the members consider proper and acceptable."[৯]

অৰ্থাৎ, সংস্কৃতি কিছুমান নিয়মৰ সংযুতি অথবা পৰিমাপক। এই সংযুতিবোৰে কোনো এখন সমাজৰ অংগীভূত ব্যক্তিসকলক প্ৰভাৱান্বিত কৰাৰ ফলস্বৰূপে সেই সমাজৰ অংগীভূত ব্যক্তিসকলৰ বাবে উপযুক্ত আৰু গ্ৰহণযোগ্য বিভিন্ন আচৰণৰ জন্ম হয়। এই আচৰণৰ সমষ্টিয়েই সংস্কৃতি।

জন জে হোনিংমান-ৰ (John J. Honigmann) দৃষ্টিত সংস্কৃতিৰ পৰিসীমাই বহুতো বিষয়ক সামৰি লয়। মানৱৰদ্বাৰা সৃষ্ট শিল্পৰ, জনসাধাৰণদ্বাৰা অভিব্যঞ্জিত ক্ৰিয়া-কলাপ আৰু তেওঁলোকৰ আদৰ্শ আৰু অনুভূতি আদিকেই সংস্কৃতি বুলিব পাৰি। জনসাধাৰণৰ জীৱন পদ্ধতিয়েই সংস্কৃতি।[১০]

---

৮. 'Culture is the man-made part of the environment.'
Melville J. Herskovits: *Cultural Anthropology*, New Delhi, 1974, p.305

৯. William A. Haviland: *Cultural Anthropology, p. 12*

১০. *John J. Honigmann*: *Understanding Culture*, New Delhi, 1967, p.3

বিশ্বাস-অবিশ্বাস, ধৰ্ম-অধৰ্ম— পৰম্পৰা আদি প্ৰবৃত্তিগত ভাৱে শিকে। এই ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ পৰম্পৰা আদিৰ সামগ্ৰিক ৰূপক সংস্কৃতি বুলিব পাৰি। সংস্কৃতিত সামাজিক ভিত্তি মানৱৰ শাৰীৰিক আৰু জৈৱিক আচৰণ বৰ্তমান থাকে। সংস্কৃতি প্ৰাকৃতিক অৱস্থাৰদ্বাৰা অনুৰঞ্জিত হ'লেও ই মানৱ অভিজ্ঞতা প্ৰসূত অৰ্থাৎ সংস্কৃতি মানৱ-সৃষ্ট।[১০] সংস্কৃতি সামাজিক সংযুতিৰ উপাদান বিশেষ। ধৰ্ম, কলা, আবেগিক উক্তি আদি বিভিন্ন সামাজিক ব্যাপাৰ সংস্কৃতি-পৰিসীমাৰ অংগীভূত।[১১]

মালিনৱস্কি-এ (Malionowski) টাইলাৰে আগবঢ়োৱা সূত্ৰটোৰ ওপৰত নিৰ্ভৰ কৰি কৈছে যে, সংস্কৃতি সামাজিক উত্তৰাধিকাৰ। এই উত্তৰাধিকাৰ আচলতে ভৌতিক (material) আৰু অভৌতিক (non-material) উভয়বিধ উপাদানৰ সমষ্টি মাথোন। অৱশ্যে অভৌতিক উপাদান সহজে উপলব্ধি কৰিব নোৱাৰি। আনকথাত সংস্কৃতি, জীৱনৰ সামগ্ৰিক পদ্ধতি মাথোন। মানসিক, সামাজিক, আৰু ভৌতিক আদি উপাদানেৰে জীৱন-পদ্ধতি নিৰ্মিত হয়। বহলভাৱে সংস্কৃতিৰ দিশ দুটা: (ক) সামাজিক সংস্কৃতি আৰু (খ) ভৌতিক সংস্কৃতি। ডেভিদ বিদ্নিৰ দৃষ্টিত সংস্কৃতি সভ্যতা, শিল্প, সামাজিক সংগঠন, ভাষা, ধৰ্ম, কলা আদিৰ পৰিণতি মাথোন। উপৰৰ আলোচনাৰপৰা অনুমান কৰিব পাৰি যে, সংস্কৃতি বাস্তৱিক সত্তা। মৰেটৰ (Marett) মতে সংস্কৃতি অভিজ্ঞাপনিক তথ্য ('communicable intelligence')। ৰবাৰ্ট ৰেড ফিল্ড-এ (Robert Redfield) মৰেটৰ দৃষ্টিভংগীৰ অনুকূলে সংস্কৃতিৰ স্বৰূপ নিৰ্ণয় কৰিবলৈ গৈ কৈছে যে, শিল্প, সামাজিক সংযুতি আৰু প্ৰতীকৰ জৰিয়তে বিমূৰ্তিত পৰম্পৰাগত অৰ্থৰ সমষ্টিয়েই সংস্কৃতি।[১২] জ্ঞান আহৰণ আৰু অভিজ্ঞাপনৰ ক্ষেত্ৰত প্ৰতীকে গ্ৰহণ কৰা ভূমিকাৰ গুৰুত্ব উপলব্ধি কৰিবলৈ সক্ষম হোৱাৰ প্ৰসংগতহে সংস্কৃতিৰ এই আদৰ্শাত্মক দিশটিৰ কথা আহে। ৰুথ বেনেডিক্ট-এ (Ruth Benedict) সংস্কৃতিৰ সংজ্ঞা আনুষ্ঠানিক (formalistic) আৰু নান্দনিক (aesthetic) উভয় দিশৰ ফালৰপৰা দিবলৈ প্ৰয়াস কৰিছে। তেওঁৰ মতে সংস্কৃতিৰ ব্যাখ্যা সামাজিক জীৱনৰ আধেয়ৰ ওপৰত নিৰ্ভৰ নকৰে,—আনুষ্ঠানিক ব্যৱস্থা আৰু সংগঠনৰ ওপৰতহে বিশেষভাৱে নিৰ্ভৰ কৰে। বেনেডিক্ট-এ সংস্কৃতিৰ আধেয়ৰ বিষয়ত গুৰুত্ব নিদি ইয়াৰ প্ৰতিদৰ্শৰ (Pattern) ক্ষেত্ৰতহে গুৰুত্ব দিছে। মালিনৱস্কি আৰু ৰেডক্লিফ-ব্ৰাউন-এ (Radcliffe-Brown) সংস্কৃতিৰ ব্যাখ্যা দিয়াৰ প্ৰসংগত নৈমিত্তিক (instrumental) আৰু মানৱিক (humanistic) দৃষ্টিভংগী

---

১০. 'Thus the culture, although conditioned by and it turn affecting natural circumstances, is the product of human experience, i.e., it is man made.' Richard T. Lapiere: *Sociology*, New York, 1946, P.68

১১. Melville Jacobs: *Pattern in Cultural Anthropology*, University of Washington, 1964, P.13

১২. Robert Redfield: *The Primitive World*, New York, 1962, P.85